যি কি নহওক আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি বিশ্বৰ ইখন দেশৰ লগত সিখন দেশৰ সামাজিক সম্পৰ্ক গঢ়ি উঠে। দ্ৰব্য আমদানি-ৰপ্তানিৰ লগতে সামাজিক নীতি-নিয়মবোৰো ইখন দেশৰ পৰা সিখন দেশলৈ পৰস্পৰ বিনিময় ঘটে আৰু ক্ষুদ্ৰ সামাজিক সত্বাক বৃহৎ সামাজিক সত্বালৈ পৰিণত কৰে।

**2.5. বাণিজ্যিক লাভৰ বিতৰণ** (Distribution of Gain from Trade) : আন্তৰ্জাতিক বাণিজ্য লাভজনক হয়নে নহয় নাইবা আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি দুখন দেশ কেনেদৰে লাভৱান হ'ব পাৰে, দুয়োখন দেশৰ মাজত আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক গঢ়ি তোলাৰ প্ৰয়োজন আছেনে নাই ইত্যাদি প্ৰশ্নবিলাকৰ উত্তৰ দিবলৈ গৈ সংস্থাপিত অৰ্থনীতিবিদ গোষ্ঠীৰ অৰ্থনীতিবিদ আদাম স্মিথে তেখেতৰ ব্যয়ৰ পৰম সুবিধা তত্বটো আগবঢ়াইছিল। এই তত্বৰ যোগেদি তেখেতে প্ৰমাণ কৰিব বিচাৰিছিল যে আন্তৰ্জাতিক বাণিজ্য সংঘটিত কৰা দেশ দুয়োখনৰে কল্যাণ সৰ্বোচ্চ হয়।

অৱশ্যে ব্যয়ৰ পৰম সুবিধা থকা অৱস্থাতহে স্মিথৰ তত্বই আন্তৰ্জাতিক বাণিজ্য দুয়োখন দেশৰ বাবে লাভজনক হয়নে নহয় তাক ব্যাখ্যা কৰিছে। কিন্তু এখন দেশে যেতিয়া আন এখন দেশৰ তুলনাত দুয়োবিধ সামগ্ৰী কম ব্যয়ত উৎপাদন কৰে তেনে অৱস্থাত দেশ দুখনৰ মাজত আন্তৰ্জাতিক বাণিজ্যৰ পৰা দেশ দুখন লাভৱান হ'ব পাৰিবনে নাই তাক স্মিথে ক'ব পৰা নাই। এই ক্ষেত্ৰত তেখেতৰ অনুগামী অৰ্থনীতিবিদ ডেভিদ ৰিকাৰ্ডোৱে এনে অৱস্থাতো যে আন্তৰ্জাতিক বাণিজ্যই দুয়োখন দেশৰে কল্যাণ বৃদ্ধি কৰিব পাৰে তাৰ এক সুন্দৰ ব্যাখ্য আগবঢ়াইছে।

ৰিকাৰ্ডোৰ তত্বৰ মূল সীমাবদ্ধতা হ'ল তেখেতে শ্ৰমেই উৎপাদনৰ একমাত্ৰ উপাদান বুলি ধৰি লৈ উৎপাদন কাৰ্য্যত ব্যৱহাৰ হোৱা অন্যান্য উপাদানৰ

উপস্থিতিক নাকচ কৰিছে। অৱশ্যে তেখেতৰ সীমাবদ্ধতা সমূহ তীব্ৰ কৰিবলৈ অৰ্থনীতিবিদ হাবাৰলাৰ, হেক্সাৰ অ'লিন আগিয়ে তেখেতসকলৰ ব্যাখ্যা আগবঢ়াইছিল। এটা কথা মানি লবই লাগিব যে অৰ্থনীতিবিদ হাবাৰলাৰ, হেক্সাৰ-অ'লিন কোনোজনেই ৰিকাৰ্ডোৰ তুলনামূলক ব্যয় তত্ত্বক অগ্ৰাহ্য কৰা নাই। মাথোন এই তত্ত্বক অধিক বাস্তৱ সন্মত ব্যাখ্যা দিবলৈ যত্ন কৰিছে। অৱশ্যে কমবেছি পৰিমানে প্ৰায় সকলো অৰ্থনীতিবিদে মানি লয় যে মুক্ত আৰু অনিয়ন্ত্ৰিত আন্তৰ্জাতিক বাণিজ্যই অনুন্নত আৰু ক্ৰমোন্নতিশীল অৰ্থনীতি সমূহত প্ৰতিকুল প্ৰভাৱ পেলায়। ইয়াৰ কাৰণ অনুন্নত আৰু ক্ৰমোন্নতিশীল দেশসমূহে কৃষিজাত সামগ্ৰী সমূহৰ দৰে প্ৰাথমিক সামগ্ৰী সমূহ উৎপাদন আৰু ৰপ্তানিত আত্মনিয়োগ কৰে। ইয়াৰ বিপৰীতে শিল্পজাত উদ্যোগীক সামগ্ৰীসমূহ উন্নত দেশৰ পৰা আমদানি কৰে। কথা হ'ল অনুন্নত দেশবোৰে ৰপ্তানি কৰা কৃষিজাত আৰু প্ৰাথমিক দ্ৰব্যৰ চাহিদাৰ আয় স্থিতিস্থাপকতা উন্নত দেশবোৰত কম হয় বাবে এনেবোৰ সামগ্ৰী উৎপাদন আৰু ৰপ্তানিৰ পৰিমাণ যিমানে বাঢ়ে সিমানে দামো হ্ৰাস পায়। পুনৰ কৃষিজাত সামগ্ৰীৰ যোগান অস্থিতিস্থাপক হোৱা বাবে এনে সামগ্ৰীৰ যোগানৰ ওপৰত নিয়ন্ত্ৰণ অনা সম্ভৱ নহয়। কাৰণ এনে সামগ্ৰীৰ যোগান বহু পৰিমানে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। গতিকে এনেবোৰ দেশৰ ক্ষেত্ৰত আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্কই প্ৰতিকুল প্ৰভাৱ পেলাই। ইয়াৰ বিপৰীতে অনুন্নত দেশৰ নাগৰিকৰ মাজত বিদেশী সামগ্ৰীৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পোৱাত আমদানি বৃদ্ধি পোৱা বাবেও আন্তৰ্জাতিক বাণিজ্যত প্ৰতিকুল প্ৰভাৱ পৰে।

## 2.6. প্ৰেৱিছ শৃংগাৰৰ মতবাদ (Prebish-Singer Views) :

অৰ্থনীতিবিদ আৰ প্ৰেৱিছে (R. Prebisch) আৰু অৰ্থনীতিবিদ হেন্স্ ডব্লিউ চিংগাৰে (Hans W. Singer) অনুন্নত আৰু ক্ৰমোন্নতিশীল অৰ্থনীতি সমূহৰ আন্তৰ্জাতিক বাণিজ্যৰ বাণিজ্যিক হাৰক অধিক অৱনতি ঘটোৱা কাৰণসমূহ ব্যাখ্যা কৰিবলৈ গৈ "Relative prices of Export and Imports of underdeveloped countries" নামৰ এখন গৱেষণাপত্ৰ 1949 চনত প্ৰচাৰ কৰিছিল। এই গৱেষণা পত্ৰত তেখেত সকলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামগ্ৰী বাণিজ্য হাৰ সূচাংকৰ বিষয়ে ব্যাখ্যা আগবঢ়াইছিল। তেওঁলোকৰ মতে, 1870 চনৰ পৰা 1938 চনলৈ আন্তৰ্জাতিক বাণিজ্য সংঘটিত কৰা দেশৰ সংখ্যা 100 খনৰ পৰা 170 খনলৈ বৃদ্ধি পাইছিল। সেইসময়ত ইংলেণ্ডে উন্নয়নশীল দেশৰ

পৰা কৃষিজাত প্ৰাথমিক সামগ্ৰী আমদানি কৰিছিল। এই সময়সীমাৰ ক্ষেত্ৰত ইংলেণ্ডৰ সামগ্ৰী বাণিজ্য হাৰ দিনক দিনে উন্নত হৈ গৈছিল আৰু অনুন্নত তথা উন্নয়নশীল অৰ্থনীতিৰ দ্ৰব্য বাণিজ্য হাৰ দিনক দিনে অৱনমিত হৈ আহিছিল। প্ৰেবিছ আৰু শৃংগালে বাণিজ্য হাৰৰ অৱনমনৰ জোখ তলত দিয়াৰ দৰে নিৰ্ধাৰণ কৰিছিল।

**বানিজ্য হাৰৰ অৱনমন** (Deterioration of terms of trade) ঃ-

উন্নয়নশীল দেশৰ

$$= \frac{\text{ৰপ্তানীৰ দাম সূচাংক}}{\text{আমদানিৰ দাম সূচাংক}} \times 100 = \frac{100}{170} \times 100$$

$$= 0.5882 \times 100 = 58.82$$

য'ত উন্নয়নশীল দেশৰ ৰপ্তানিৰ দাম সূচাংক আছিল 100 আৰু আমদানিৰ দাম সূচাংক আছিল 170। অৰ্থাৎ উন্নয়নশীল দেশৰ বাণিজ্য হাৰৰ অৱনমন (deterioration) 1870-1938 সময় সীমাৰ ভিতৰত আছিল (100-58.82) $\neq$ 41.18 শতাংশ। বাণিজ্য হাৰৰ এই অৱনমনৰ পৰিমাণে উন্নত দেশৰ পৰা অনুন্নত বা উন্নয়নশীল অৰ্থনীতিলৈ সম্পদৰ হস্তান্তৰৰ পৰিমাণক প্ৰকাশ কৰে।

2.6(1) **দ্ৰব্য বিনিময় হাৰ অৱনমিত হোৱাৰ কাৰণ** (The Reasons for the Deterioration in the commodity terms of trade) ঃ প্ৰেবিছ-শৃংগাৰ মতবাদৰ মতে আন্তৰ্জাতিক বাণিজ্যৰ ফলত উন্নয়নশীল অৰ্থনীতি সমূহৰ দ্ৰব্য বিনিময় হাৰ দিনক দিনে অৱনমিত হোৱা মূল কাৰণ দুটা। সেইয়া হ'ল —

(i) শিল্পজাত সামগ্ৰী আৰু প্ৰাথমিক দ্ৰব্যৰ দামৰ আপেক্ষিক পাৰ্থক্যৰ বাবে (Change in Relative prices of manufacturer and primary goods)

(ii) শিল্পজাত দ্ৰব্যৰ উচ্চ আয় স্থিতিস্থাপকতা (Higher Income-Elasticity of Demand for manu factured Goods.)

(i) **শিল্পজাত সামগ্ৰী আৰু প্ৰাথমিক দ্ৰব্যৰ দামৰ আপেক্ষিক পাৰ্থক্য** (Change in Relative prices of manufacturer and primary goods) ঃ-